**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-04-2025
**Time :** 0705 Hrs

***Assamese Morning Bulletin***
***Headlines***
------------

১। পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত পাকিস্তানৰ বিৰুদ্ধে নিৰাপত্তা বিষয়ত মন্ত্ৰী পৰিষদে গ্ৰহণ কৰা কাৰ্যব্যৱস্থাৰ প্ৰতি ৰাজনৈতিক দলৰ নেতাসকলে সমৰ্থন আগবঢ়াইছে।

২। পোপ ফ্ৰান্সিছৰ শেষকৃত্য কাৰ্যসূচীত অংশগ্ৰহণৰ উদ্দেশ্যে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু দুদিনীয়া ভ্ৰমণসূচীৰে আজি ভেটিকান ছিটিলৈ যাব।

৩। জলজীৱন মিছন কেলেংকাৰীত জড়িত থকাৰ অভিযোগত ৰাজস্থানৰ কংগ্ৰেছ নেতা তথা প্ৰাক্তন কেবিনেট মন্ত্ৰী মহেশ যোশীক বিধি বলৱৎকাৰী সঞ্চালকালয়ে গ্ৰেপ্তাৰ কৰিছে।

৪। উত্তৰ ছিকিমত কালি নিশা হোৱা ভূমিস্খলনৰ ফলত পথ যোগাযোগ ব্যাহত হৈ পৰিছে।

***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি নিশা বেংগালুৰুৰ এম চিন্নস্বামী ষ্টেডিয়ামত হোৱা এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে ৰাজস্থান ৰয়েলছক ১১ ৰানত পৰাস্ত কৰে।

০০০০

পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত পাকিস্তানৰ বিৰুদ্ধে নিৰাপত্তা বিষয়ত মন্ত্ৰী পৰিষদে গ্ৰহণ কৰা কাৰ্যব্যৱস্থাৰ প্ৰতি ৰাজনৈতিক দলৰ নেতাসকলে সমৰ্থন আগবঢ়াইছে। এই বৰ্বৰ আক্ৰমণৰ ঘটনাৰ পাছত কালি নতুন দিল্লীত চৰকাৰে আহ্বান জনোৱা সৰ্বদলীয় বৈঠকত নেতাসকলে সন্ত্ৰাসবাদ বিৰোধী যুঁজ আৰু এই ক্ষেত্ৰত গ্ৰহণ কৰা যিকোনো ধৰণৰ পদক্ষেপৰ প্ৰতি সম্পূৰ্ণ সহায়-সহযোগিতা আগবঢ়োৱাৰো আশ্বাস দিয়ে।

সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কিৰেন ৰিজিজুৱে কয়, যে এই আক্ৰমণৰ ঘটনাক সকলো দলে উদ্বেগ প্ৰকাশ কৰিছে। তেওঁ কয়, যে এই বৈঠকত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে পহলগামত সংঘটিত ঘটনা আৰু এইক্ষেত্ৰত ভাৰত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে সবিশেষ দাঙি ধৰে। তেওঁ কয়, যে এইক্ষেত্ৰত অধিক কঠোৰ পদক্ষেপ গ্ৰহণৰ বাবে ভাৰতে সিদ্ধান্ত গ্ৰহণ কৰিছে। মন্ত্ৰীগৰাকীয়ে কয়, যে চোৰাংচোৱা সংস্থা আৰু গৃহমন্ত্ৰ্যালয়ৰ বিষয়াসকলে এই ঘটনাৰ লগতে এই ক্ষেত্ৰত বৈ যোৱা সুৰুঙা সন্দৰ্ভত ব্যাখ্যা আগবঢ়ায়। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত লোকসভাৰ বিৰোধী নেতা ৰাহুল গান্ধীয়ে কয়, যে পহলগাম সন্ত্ৰাসবাদী আক্ৰমণত সকলোৱে একেমুখে গৰিহণা দিছে আৰু এইক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা সকলো ধৰণৰ পদক্ষেপৰ প্ৰতি বিৰোধীৰ সম্পূৰ্ণ সমৰ্থন আছে।

কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কয়, যে সকলো দলেই এই ঘটনাক গৰিহণা দিছে আৰু জম্মু-কাশ্মীৰত শান্তি-শৃংখলা বৰ্তাই ৰখাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা উচিত। ডি এম কেৰ সাংসদ তিৰুচি শিৱাইও এই ঘটনাৰ নিন্দা কৰি দেশত সন্ত্ৰাসবাদ নিৰ্মূল কৰাৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ প্ৰতি তেওঁৰ দলে সম্পূৰ্ণ সহযোগিতা আগবঢ়াব বুলি প্ৰকাশ কৰে।

বিজেপিৰ সাংসদ সম্বিত পাত্ৰই এই বৰ্বৰ ঘটনাত জড়িত সন্ত্ৰাসবাদীসকলক শীঘ্ৰেই কঠোৰ শাস্তি প্ৰদানৰ বাবে চৰকাৰে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা উচিত বুলি মন্তব্য কৰে।

এ আই এম আই এমৰ সাংসদ আছাদউদ্দিন ওৱেইছিয়ে এই ঘটনাটো কেৱল এটা ৰাজনৈতিক বিষয়েই নহয় বুলি মন্তব্য কৰি কয়, যে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা যিকোনো সিদ্ধান্তৰ প্ৰতি তেওঁৰ সম্পূৰ্ণ সমৰ্থন আছে। দুঘণ্টা জোৰা এই বৈঠকত ১৫টা বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলে অংশগ্ৰহণ কৰে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অধ্যক্ষতা কৰা এই বৈঠকত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ, বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাকে ধৰি ৰাজনৈতিক দলসমূহৰ জ্যেষ্ঠ নেতাসকলে অংশগ্ৰহণ কৰে। বৈঠকত পহলগাম সন্ত্ৰাসবাদী আক্ৰমণত প্ৰাণ হেৰুওৱা নিৰীহ লোকসকলৰ প্ৰতি শ্ৰদ্ধা জনায় দুই মিনিট মৌন প্ৰাৰ্থী কৰা হয়।

০০০০

জম্মু-কাশ্মীৰৰ পহলগামৰ সন্ত্ৰাসবাদী আক্ৰণৰ পাছত ভাৰতে তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ পাকিস্তানী নাগৰিকৰ বাবে প্ৰদান কৰা ভিছা বাতিল কৰিছে। চলিত মাহৰ ২৭ তাৰিখৰ পৰা পাকিস্তানী নাগৰিকৰ বাবে ভাৰতে ইতিপূৰ্বে প্ৰদান কৰা ভিছাসমূহৰ বৈধতা নাথাকিব। চিকিৎসাজনিত কাৰণত চুবুৰীয়া দেশখনৰ নাগৰিকৰ প্ৰতি ভাৰতে আগবঢ়োৱা ভিছাৰ ম্যাদ এই মাহৰ ২৯ তাৰিখলৈ বৈধ বুলি বিবেচিত হ'ব।

ভাৰতত থকা পাকিস্তানী নাগৰিকসকলে ভিছাৰ ম্যাদ উকলি যোৱাৰ আগতে দেশ এৰিব লাগিব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতি যোগে প্ৰকাশ কৰিছে। বিবৃতিটোত ভাৰতীয় নাগৰিকসকলকো পাকিস্তান ভ্ৰমণ নকৰিবলৈ পৰামৰ্শ দিয়াৰ লগতে যিসকল ভাৰতীয় বৰ্তমান পাকিস্তানত আছে তেওঁলোককো শীঘ্ৰেই দেশলৈ উভতি আহিবলৈ আহ্বান জনাইছে।

অৱশ্যে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে পাছত স্পষ্ট কৰি দিয়ে যে, পাকিস্তানী হিন্দু নাগৰিকক প্ৰদান কৰা দীৰ্ঘম্যাদী ভিছাৰ ক্ষেত্ৰত এই নিৰ্দেশ প্ৰযোজ্য নহ'ব।

ইপিনে চৰকাৰে সিন্ধু জলচুক্তি বাতিৰ কৰাৰ ক্ষেত্ৰত অধিসূচনা জাৰি কৰিছে।

০০০০

কাশ্মীৰৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত অঞ্চলটোত অব্যাহত থকা উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ যাতে অধিক অৱনতি নহয়, তাৰ বাবে সম্পূৰ্ণ সংযম ৰক্ষা কৰিবলৈ ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টিনঅ' গুটেৰেছে ভাৰত আৰু পাকিস্তানৰ প্ৰতি আহ্বান জনাইছে। পহলগামৰ আক্ৰমণত ২৬ জন লোকে প্ৰাণ হেৰুওৱা ঘটনাৰ গৰিহণা দি সচিব প্ৰধানৰ মুখপাত্ৰ ষ্টিফেন দুজাৰিছে কয়, যে দুয়োখন দেশে সংযম ৰক্ষা কৰা উচিত আৰু দেশ দুখনৰ মাজৰ যিকোনো সমস্যা অৰ্থপূৰ্ণ পাৰস্পৰিক বুজাবুজিৰ জৰিয়তে শান্তিপূৰ্ণভাৱে সমাধান কৰা উচিত।

০০০০

ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহু, জাপানৰ প্ৰধানমন্ত্ৰী শ্বিগেৰু ইছিবা, ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ', ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেল'নি আৰু জৰ্দানৰ ৰজা আবুল্লা দ্বিতীয়ই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে হোৱা বাৰ্তালাপত পহলগামত হোৱা সন্ত্ৰাসবাদী আক্ৰমণৰ তীব্ৰ গৰিহণা দিয়ে। প্ৰধানমন্ত্ৰী মোদী সৈতে হোৱা টেলিফোনিক বাৰ্তালাপত ইজৰাইলৰ প্ৰধানমন্ত্ৰী নেতান্যাহুয়ে ভাৰতৰ লোকসকলৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰাৰ লগতে আক্ৰমণত নিহত লোকসকলৰ পৰিয়ালৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সীমান্তৰ সীপাৰৰ পৰা হোৱা এই বৰ্বৰ আক্ৰমণৰ কথা শ্বেয়াৰ কৰে।

০০০০

পোপ ফ্ৰান্সিছৰ শেষকৃত্য কাৰ্যসূচীত অংশগ্ৰহণৰ উদ্দেশ্যে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু দুদিনীয়া ভ্ৰমণসূচীৰে আজি ভেটিকান ছিটিলৈ যাব। শ্ৰীমতী মুৰ্মুৱে ভাৰত চৰকাৰ আৰু দেশৰ জনসাধাৰণৰ হৈ সমবেদনা জ্ঞাপন কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে এখন বিজ্ঞপ্তিত প্ৰকাশ কৰা অনুসৰি ৰাষ্ট্ৰপতিগৰাকীয়ে ছেইণ্ট পিটাৰ বেচিলিকাত পোপ ফ্ৰান্সিছৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। কাইলৈ শ্ৰীমতী মুৰ্মুৱে শেষকৃত্য কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। এই কাৰ্যসূচীত দেশৰ বিভিন্ন প্ৰান্তৰ প্ৰতিনিধিসকলেও অংশগ্ৰহণ কৰিব। যোৱা ২১ এপ্ৰিলত পোপ ফ্ৰান্সিছৰ দেহাবসান হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে আৰু ভাৰতৰ জনসাধাৰণৰ প্ৰতি থকা তেওঁৰ আন্তৰিকতা চিৰস্মৰণীয় হৈ থাকিব বুলি মন্তব্য কৰে। পোপ ফ্ৰান্সিছৰ মৃত্যুত ভাৰতে তিনিদিনীয়া ৰাষ্ট্ৰীয় শোক ঘোষণা কৰিছে।

০০০০

ৰাজস্থানৰ কংগ্ৰেছ নেতা তথা প্ৰাক্তন কেবিনেট মন্ত্ৰী মহেশ যোশীক কালি সন্ধিয়া বিধি বলৱৎকাৰী সঞ্চালকালয়ে জলজীৱন মিছন কেলেংকাৰীত জড়িত থকাৰ অভিযোগত গ্ৰেপ্তাৰ কৰে। জয়পুৰত থকা সঞ্চালকালয়ৰ কাৰ্যালয়ত এই সন্দৰ্ভত শ্ৰী যোশীক সোধাপোছা কৰা হয়। ইয়াৰ পূৰ্বে সঞ্চালকালয়ে কেইবাখনো চমন জাৰি কৰিছিল যদিও ব্যক্তিগত কাৰণৰ দোহাই দি শ্ৰী যোশীয়ে সঞ্চালকালয়ৰ সন্মুখত হাজিৰ হোৱা নাছিল।

০০০০

উত্তৰ ছিকিমত কালি নিশা হোৱা ভূমিস্খলনৰ ফলত পথ যোগাযোগ ব্যাহত হৈ পৰে। যদিও চুংথাঙলৈ যোৱা পথছোৱা মুকলি হৈ আছে তথাপি প্ৰবল বৰষুণৰ বাবে নিশাৰ ভাগত এই পথেৰে যাত্ৰা কৰাটো নিৰাপদ নহয়। সেয়েহে উত্তৰ ছিকিমলৈ যোৱা যান-বাহনসমূহক আজি ভ্ৰমণৰ অনুমতি দিয়া নহ'ব আৰু পূৰ্বে দিয়া অনুমতিও বাতিল কৰা হৈছে। উত্তৰ ছিকিমৰ মংগন জিলাৰ আৰক্ষী অধীক্ষক ছোনম ডেটচ্ছু ভূটীয়াই প্ৰতিকূল বতৰ আৰু ভূমিস্খলনৰ ফলত পথ যোগাযোগ বন্ধ হৈ থকা বাবে সেইসমূহ পথেৰে যাত্ৰা কৰা গাড়ীৰ অনুমতি পত্ৰ বাতিল কৰা বুলি ঘোষণা কৰিছে।

০০০০

পাকিস্তানৰ উপ-প্ৰধানমন্ত্ৰী তথা বিদেশ মন্ত্ৰী ইছাক দাৰে ঢাকা ভ্ৰমণ বাতিল কৰিছে। পাকিস্তানৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে এটা বিবৃতিৰ জড়িয়তে কালি সন্ধিয়া পাকিস্তানৰ বৈদেশিক মন্ত্ৰীগৰাকীৰ প্ৰস্তাৱিত ঢাকা ভ্ৰমণ বাতিল কৰাৰ কথা প্ৰকাশ কৰিছে। বিবৃতিটোত কোৱা হৈছে যে, অপ্ৰত্যাশিত পৰিস্থিতিৰ বাবে পাকিস্তানৰ

উপ-প্ৰধানমন্ত্ৰী তথা বৈদেশিক মন্ত্ৰীগৰাকীৰ অহা ২৭ আৰু ২৮ এপ্ৰিলৰ প্ৰস্তাৱিত ঢাকা ভ্ৰমণ বাতিল কৰা হৈছে। ঢাকাত থকা পাকিস্তানৰ উচ্চায়োগে এটা বাৰ্তাযোগে সংবাদ মাধ্যমক এই কথা জানিবলৈ দিয়ে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি নিশা বেংগালুৰুৰ এম চিন্নস্বামী ষ্টেডিয়ামত হোৱা এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে ৰাজস্থান ৰয়েলছক ১১ ৰানত পৰাস্ত কৰে। ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে নিৰ্ধাৰণ কৰি দিয়া ২০৬ ৰানৰ বিজয় লক্ষ্যৰে খেলিবলৈ লোৱা ৰাজস্থান ৰয়েলছে নিৰ্ধাৰিত ২০ অভাৰত ৯ টা উইকেট হেৰুৱাই ১৯৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। ৰাজস্থানৰ হৈ যশস্বী জয়ছোৱালে সৰ্বাধিক ৪৯ আৰু ধ্ৰুৱ জুৰেলে ৪৭ ৰান কৰে।  ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ হৈ য'শ হেজেলউডে ৪টা উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে ৰাজস্থান ৰয়েলছে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ২০৫ ৰান সংগ্ৰহ কৰে। দলৰ হৈ বিৰাট কোহলীয়ে ৭০ ৰানৰ অনবদ্য বৰঙণি আগবঢ়ায়। দেৱদূত্ত পাড়িকলে ৫০ ৰান কৰে। ৰাজস্থান ৰয়েলছৰ হৈ সনদ্বীপ শৰ্মাই দুটা উইকেট দখল কৰে। য'শ হেজেলউডক প্লেয়াৰ অব দ্যা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিডাম্বৰম ষ্টেডিয়ামত চেন্নাই ছুপাৰ কিংছ, ছান ৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

০০০০

সমাপ্ত